**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
**:::::::::::::::::::::::::::::::::::**

১।	চৰকাৰী চাকৰি জনসাধাৰণৰ জীৱন-ধাৰণ উন্নত আৰু সুগম কৰাৰ গুৰুত্বপূৰ্ণ মাধ্যম বুলি ঊনবিংশ ৰোজগাৰ মেলাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২।	আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰী মাৰ্কো ৰুবিঅ' আজি দুপৰীয়া চাৰিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয়।

৩।	চলিত বৰ্ষৰ জুলাই মাহৰ পৰা পশ্চিমবংগত আয়ুষ্মান ভাৰত আঁচনিৰ শুভাৰম্ভ কৰা হ'ব।

৪।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্নৌ ছুপাৰ জায়েণ্টছ্ পঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

*আৰু*

৫।	মল্লযুজত ভাৰতীয় গ্ৰেপলাৰ সুৰজ বশিষ্ঠ আৰু সাগৰ সিঙে আজি ভিয়েটনামৰ দ্যা নাঙত অনুষ্ঠিত ২৩ বছৰ অনুৰ্ধ এছিয়ান মল্লযুজ প্ৰতিযোগিতাত পুৰুষৰ গ্ৰেক' ৰোমান শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

চৰকাৰী চাকৰি জনসাধাৰণৰ জীৱন-ধাৰণ উন্নত আৰু সুগম কৰাৰ গুৰুত্বপূৰ্ণ মাধ্যম বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। ভি ডি অ' কনফাৰেন্সিং ব্যৱস্থাৰে ঊনবিংশ ৰোজগাৰ মেলাত ভাষণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে ৰাষ্ট্ৰই কৰ্মযোগীসকলৰ প্ৰতি আস্থা প্ৰকাশ কৰিছে আৰু এতিয়া নিষ্ঠা, আচৰণ তথা দৈনন্দিন কাম-কাজেৰে এই আস্থাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাটো তেওঁলোকৰ দায়িত্ব।

কেন্দ্ৰীয় পথ পৰিবহন মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি নাগপুৰৰ ঊনবিংশ ৰোজগাৰ মেলাত নতুনকৈ নিযুক্তি লাভ কৰা সকলক নিযুক্তি পত্ৰ প্ৰদান কৰে। নাগপুৰৰ ৰাষ্ট্ৰীয় অগ্নি নিৰ্বাপক বাহিনী-অৰ্থাৎ এন এফ এছ্ চি কলেজত এই কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি শ্ৰীগাডকাৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ সেৱাত যোগদান কৰা নতুনকৈ নিযুক্তি পোৱাসকলক দেশৰ বিভিন্ন প্ৰান্তত সেৱা আগবঢ়োৱাৰ সময়ত তেওঁলোকৰ ওপৰত ন্যস্ত কৰা দায়িত্বসমূহ সূচাৰুৰূপে পালন কৰিবলৈ আহ্বান জনায়।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰী মাৰ্কো ৰুবিঅ' আজি দুপৰীয়া চাৰিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয়। ভ্ৰমণকালত শ্ৰীৰুবিঅ'ই ২৬ মে'ৰ পৰা নতুন দিল্লীত হ'বলগীয়া কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰিব। অভ্যাগত বিদেশ মন্ত্ৰগৰাকীয়ে আজি সেৱাতীৰ্থত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিব। শ্ৰীৰুবিঅ'ই কাইলৈ বিদেশ মন্ত্ৰী ড° এছ্ জয়শংকৰৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰ কথা।

প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে সামাজিক মাধ্যমৰ এক পোষ্টযোগে সচিব ৰুবিঅ'ই প্ৰধানমন্ত্ৰী মোদীক প্ৰতিৰক্ষা, কৌশলগত প্ৰযুক্তি, বাণিজ্য আৰু বিনিয়োগ, শক্তি সুৰক্ষা, সংযোগ, শিক্ষা আৰু জনসাধাৰণৰ সম্পৰ্কক ধৰি বিভিন্ন খণ্ডত দ্বিপাক্ষিক সহযোগিতাৰ ধাৰাবাহিক অগ্ৰগতিৰ বিষয়ে অৱগত কৰে। ৰুবিঅ'ই পশ্চিম এছিয়াৰ পৰিস্থিতিকে ধৰি বিভিন্ন আঞ্চলিক আৰু বিশ্বব্যাপি বিষয়ত আমেৰিকাৰ দৃষ্টিভংগী সন্দৰ্ভত আলোচনা কৰে। শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ভাৰতৰ ধাৰাবাহিক সমৰ্থন পুনৰ দৃঢ় কৰি শ্ৰীমোদীয়ে আলোচনা আৰু কূটনীতিৰ জৰিয়তে সংঘাতসমূহৰ শান্তিপূৰ্ণ সমাধানৰ আহ্বান জনায়।

ooooo

চলিত বৰ্ষৰ জুলাই মাহৰ পৰা পশ্চিমবংগত আয়ুষ্মান ভাৰত আঁচনিৰ শুভাৰম্ভ কৰা হ'ব। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাৰ সৈতে ভাৰ্চুৱেল মাধ্যমেৰে অনুষ্ঠিত এখন বৈঠকৰ অন্তত আজি কোলকাতাত মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে এইকথা ঘোষণা কৰে। ৰাজ্যখনৰ স্বাস্থ্য সাথী আঁচনিৰ অধীনত ইতিমধ্যে অন্তৰ্ভুক্ত হোৱা হিতাধিকাৰীসকলক এই আঁচনিত অন্তৰ্ভুক্ত কৰা হ'ব। আনহাতে, জুন মাহত আয়ুষ্মান ভাৰত আৰোগ্য মন্দিৰ সৈতে জড়িত বুজাবুজিৰ চুক্তি নতুন দিল্লীত স্বাক্ষৰিত কৰা হ'ব। শ্ৰীঅধিকাৰীয়ে কয় যে পশ্চিমবংগত প্ৰধানমন্ত্ৰী জন ঔষধী কেন্দ্ৰৰ সংখ্যা বৰ্তমানৰ ১১৭ টাৰ পৰা ৪৫৯ টা লৈ বৃদ্ধি কৰাৰ সন্দৰ্ভত এটা প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ ইতিমধ্যে প্ৰেৰণ কৰা হৈছে। তেওঁ লগতে উল্লেখ কৰে যে ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ অধীনত ২ হেজাৰ ১০৩ কোটি টকা আৰু আয়ুষ্মান ভাৰত আঁচনিৰ অধীনত ৯৭৬ কোটি টকা কেন্দ্ৰই আৱণ্টন দিছে। ইতিমধ্যে ৫০০ কোটি টকা লাভ কৰা হৈছে। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে আলিপুৰ দুৱাৰ, কালিমপং আৰু দক্ষিণ দিনাজপুৰ জিলাত নতুন মেডিকেল কলেজ আৰু উত্তৰ বংগৰ বাবে নতুন এইমছ স্থাপনৰ প্ৰস্তাৱো কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে বুলি উল্লেখ কৰে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৭ মে'লৈকে কেৰালামৰ বিভিন্ন অঞ্চলত প্ৰচণ্ড বৰষুণৰ আগজাননী দিছে। আজি ৰাজ্যখনৰ ৯ খন জিলাত য়েলো এলাৰ্ট জাৰি কৰিছে। কাইলৈ ছখন জিলা আৰু সোমবাৰে ৯ খন জিলাত য়েলো সতৰ্কতা অব্যাহত থাকিব। দক্ষিণ পশ্চিম আৰৱ সাগৰৰ কিছু অংশ, দক্ষিণ-পূৱ আৰৱ সাগৰৰ অধিকাংশ, কমৰীণ অঞ্চল, দক্ষিণ পশ্চিম, দক্ষিণ পূৱ আৰু পূৱ মধ্য বংগোপসাগৰ আৰু আজি আন্দামান সাগৰৰ অধিক অংশলৈ দক্ষিণ পশ্চিম মৌচুমী বতাহ বলিছে বুলি বিভাগটোৱে জানিবলৈ দিছে। কেৰালাম, কৰ্ণাটক, লাক্ষাদ্বীপ উপকূলৰ মাছমৰীয়াসকলক চলিত মাহৰ ২৭ তাৰিখলৈকে সাগৰত প্ৰৱেশ নকৰিবলৈ বিভাগটোৱে পৰামৰ্শ প্ৰদান কৰে।

ooooo

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী জীতেন্দ্ৰ সিঙে ভাৰত তিব্বত সীমান্ত আৰক্ষীৰ প্ৰথমটো মহিলা অভিযানকাৰী দলক মাউণ্ট এভাৰেষ্ট সফলতাৰে আৰোহণ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত শ্ৰীসিঙে কয় যে ভাৰতৰ কন্যাসকলে বিশ্ব দৰবাৰত ভাৰতৰ নাৰী শক্তিক পুনৰ উজ্জীৱিত কৰিছে। এই অবিশ্বাস্য কৃতিত্বত জম্মু কাশ্মীৰৰ কাথোৱাৰৰ অঞ্জলী দেৱীয়ে উল্লেখযোগ্য ভূমিকা পালন কৰিছে বুলি তেওঁ উল্লেখ কৰে।

উল্লেখযোগ্য যে লখিমপুৰৰ ৰূপামণি গড়ে বিশ্বৰ সৰ্বোচ্চ শৃংগ মাউণ্ট এভাৰেষ্ট আৰোহণ কৰি ৰাজ্যৰ লগতে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। এভাৰেষ্ট জয়ৰ এই অভিযানটোৰ উদ্যোক্তাসকলে জনোৱা মতে অসমৰ ভনিতা টিমুংপিৰ নেতৃত্বত যোৱা ভাৰত তিববতীয় সীমান্ত আৰক্ষী বাহিনীৰ দলটোৱে বৃহস্পতিবাৰৰ পুৱা ৮ বজাৰ পৰা এভাৰেষ্ট শিখৰলৈ অভিযান আৰম্ভ কৰিছিল। দলটোত অনুপ কুমাৰ, পদ্ম টুণ্ডুত, কপিল দেৱ, ষ্টেনজিন কৰলকে ধৰি কেইবাজনো ভাৰতীয় পৰ্বতাৰোহী সদস্য আছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এভাৰেষ্ট শৃংগত আৰোহণ কৰা প্ৰথমগৰাকী মহিলা পৰ্বতাৰোহী হোৱাৰ কৃতিত্ব অৰ্জন কৰা ৰূপামণি গড়লৈ আৰু দলটোক নেতৃত্বত দিয়া ভনিতা টিমুংপিলৈ অভিনন্দন জ্ঞাপন কৰিছে। দুয়োগৰাকীৰ এই সাফল্যই অসমৰ নতুন প্ৰজন্মৰ বাবে প্ৰেৰণা হৈ ৰ'ব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰিছে।

00000

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আজি দুদিনীয়া ভ্ৰমণসূচীৰে উত্তৰাখণ্ডৰ উত্তৰ কাশীত উপস্থিত হয়। ভ্ৰমণকালত তেওঁ ভাৰত -চীন সীমান্তৰ সমীপৰ হৰ্ছিল অঞ্চলৰ ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি নিৰ্বাচনী তালিকাৰ এছ্ আই আৰৰ প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা কৰে। আয়ুক্তগৰাকীয়ে হৰ্ছিলত বুথ পৰ্যায়ৰ বিষয়া মিণ্টু দেৱীৰ সৈতে মত বিনিময় কৰি ভোটাৰ তালিকাৰ পুনৰীক্ষণৰ কাম-কাজ আৰু এই প্ৰক্ৰিয়াত বি এল অ' এপৰ ব্যৱহাৰ সন্দৰ্ভত তথ্য সংগ্ৰহ কৰে। তেওঁ কয় যে বি এল অ' এপৰ জৰিয়তে শুদ্ধ ৰূপত নিৰ্বাচনী তালিকা প্ৰস্তুত কৰা, অনুপস্থিত, স্থানান্তৰিত, মৃত, নকল, আৰু বিদেশী ভোটাৰক চিনাক্ত কৰা আৰু নতুনকৈ যোগ্য ভোটাৰৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে।

00000

দেশত সামগ্ৰিকভাৱে পেট্ৰ'ল আৰু ডিজেলৰ নাটনি হোৱা নাই বুলি ইণ্ডিয়ান অইলে পুনৰ আশ্বাস দিছে। তেল বিপণন কোম্পানীটোৱে এটা বিবৃতিযোগে কেতবোৰ নিৰ্দিষ্ট খণ্ডত চাহিদা বৃদ্ধিৰ বাবে একাংশ খুচুৰা বিপণন কেন্দ্ৰত দেখা দিয়া চাহিদা যোগানৰ ভাৰসাম্যহীনতা সাময়িক আৰু অস্থায়ী বুলি অভিহিত কৰিছে। দেশৰ বিভিন্ন প্ৰান্তত থকা অইল ইণ্ডিয়াৰ ৪২ হাজাৰৰো অধিক খুচুৰা বিপণন কেন্দ্ৰৰ ভিতৰত সীমিত সংখ্যক কেন্দ্ৰতহে এনে হোৱা দেখা হৈছে বুলি কোম্পানীটোৱে স্পষ্ট কৰি দিছে।

ইণ্ডিয়ান অইলে প্ৰকাশ কৰা মতে, পহিলা মে'ৰ পৰা ২২ মে'লৈ কোম্পানীটোৰ ইন্ধন বিক্ৰীৰ পৰিমাণ চকুত লগা ধৰণে বৃদ্ধি পাইছে। এই সময়ছোৱাত পেট্ৰ'লৰ বিক্ৰী ১৪ শতাংশ আৰু ডিজেলৰ বিক্ৰী প্ৰায় ১৮ শতাংশ বৃদ্ধি পাইছে।

00000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ -পঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। টছত জয়ী হৈ পঞ্জাৱ কিংছে -লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

00000

মল্লযুজত ভাৰতীয় গ্ৰেপলাৰ সুৰজ বশিষ্ঠ আৰু সাগৰ সিঙে আজি ভিয়েটনামৰ দ্যা নাঙত অনুষ্ঠিত ২৩ বছৰ অনুৰ্ধ এছিয়ান মল্লযুজ প্ৰতিযোগিতাত পুৰুষৰ গ্ৰেক' ৰোমান শাখাৰ ফাইনেলত প্ৰৱেশ কৰি ভাৰতৰ বাবে দুটা ৰূপৰ পদক অৰ্জন কৰাৰ আশ্বাস প্ৰদান কৰে। ৬০ কেজি শাখাত সুৰজ বশিষ্ঠই কিৰ্গিস্তানৰ নুৰিস্তান চুইয়ৰ কুলভক ৩-২

গলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। আনহাতে, ৬৭ কেজি শাখাত সাগৰ সিঙে চৌদি আৰৱৰ মুন্থিৰ আব্দুল্লা য়ে জান্দুৰৰ বিৰুদ্ধে ৪-০ গলত জয়লাভ কৰে। ফাইনেলত সুৰজ বশিষ্ঠই কাজাগাস্তানৰ আইবেক আইটবেকভৰ বিৰুদ্ধে আৰু সাগৰ সিঙে উজবেকিস্তানৰ আয়তজান খালমাখানভৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ঃঃ সমাপ্ত ঃঃ